# খোতবা জুমা

**খুলাফায়ে ৰাশিদিন (ৰাঃ) আৰু হজৰত ইমাম হুছেইন (ৰাঃ)ৰ মহান মৰ্যাদাৰ ঈমান উদ্দীপক আলোচনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৮ আগষ্ট ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ (ব্ৰিটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হজুৰ আনোৰাৰ (আইঃ)য়ে কৈছে, এই যুগত আল্লাহ তা'লাৰ স্বকীয় প্ৰতিশ্ৰুতি অনুযায়ী আঁ-হজৰত (ছাঃ)ৰ দাস হজৰত মছীহ মাওউদ (আঃ)ক ন্যায় বিচাৰক হিচাপে প্ৰেৰণ কৰিছে, যিয়ে মুছলমানসকলক এক একত্ববাদ প্ৰদান কৰিবলগীয়া আছিল।অৰ্থাৎ আজি আমি দেখিবলৈ পাও যে,মুছলমানৰ প্ৰত্যেক ফিৰকা (দলৰ) পৰা লোকসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতত অন্তৰ্ভুক্ত হৈছে আৰু লাখৰো অধিক সংখ্যাত প্ৰত্যেক বছৰ অন্তৰ্ভুক্ত হৈ আছে। অৰ্থাৎ মছীহ মাওউদ আৰু ন্যায় বিচাৰক জামাত প্ৰভেদসমূহ সমাপ্ত কৰাৰ বাবে প্ৰতিষ্ঠিত হৈছে। আমি সত্যক বিস্তাৰ লাভ কৰা আৰু সত্য কথা কোৱাৰ পৰা আঁতৰত নাথাকিম আৰু ইয়াৰ বাবে আমি কোৰবানী দি আছো। আজিকালি আমি মহৰৰম মাহৰ মাজেৰে অতিক্ৰম কৰি আছো যি ইছলামী বছৰ হিচাপে প্ৰথম মাহ।

ইংৰাজী মাহ আৰম্ভ হোৱাত আমি এজনে আনজনক মোবাৰকবাদ দিও। কিন্তু দুৰ্ভাগ্য বশতঃ এই যে, ইছলামী মাহ আৰম্ভ হোৱাৰ লগে লগে মুছলিম ৰাষ্ট্ৰসমূহত সেই ফিৰকা (দলৰ) কাৰণে হত্যা আৰু লুটপাট হয়। সেই দ্বীন যি শান্তিৰ উন্নতমানৰ শিক্ষা প্ৰদানকাৰী দ্বীন হয় কিয় তাক গ্ৰহণ কৰাৰ ফলত বছৰৰ আৰম্ভণীতে ফিতনা-ফাছাদ আৰু হত্যা আৰম্ভ কৰি দিয়ে? আমি চিন্তা-ভাৱনা কৰা উচিত আমি আমাৰ আচৰণত পৰিৱৰ্তন অনা উচিত আৰু দেখা উচিত যে, কেনেকৈ আমি এক উম্মতত থাকি এই ফাছাদসমূহ আৰু সন্ত্ৰাসবাদীক সমাপ্ত ঘটাব পাৰো। আমি চিন্তা-ভাৱনা কৰা উচিত যে,আমাৰ আকা হজৰত খাতামুল আম্বিয়া (ছাঃ)য়ে আমাক এই সু-সংবাদ দিছিল যে, খুলফায়ে আলা মিনহাজুননবুয়ত (নবুয়তৰ পথত খলিফা) প্ৰতিষ্ঠিত হ'ব যিয়ে মুছলমানসকলক এক উম্মত বনোৱাৰ মাধ্যম হৈ পৰিব। মুছলমানসকলৰ উন্নতি আৰু একত্ববাদৰ এক উজ্জ্বল নিদৰ্শন হৈ যাব। যদিওবা পৰিস্থিতিয়ে কৈ আছে যে, এয়া সেই যুগ হয় য'ত কোৰাণ আৰু হাদীছে বৰ্ণনা কৰা নিদৰ্শনসমূহ পূৰ্ণ হৈ আছে বা হৈ গৈছে,তেন্তে আমি কিয় এই ন্যায় বিচাৰকক আৰু আঁ-হজৰত (ছাঃ)ৰ সত্য দাসৰ অনুসন্ধান নকৰো যিয়ে ছিয়া ছুন্নী আৰু বিভিন্ন ফিৰকা (দলসমূহ)ৰ প্ৰভেদসমূহ দূৰ কৰি ঐক্যবদ্ধ কৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে, মোৰ অৱস্থা নবীসকলৰ অৱস্থাৰ নিচিনাই হয় মোক এজন স্বৰ্গীয় মানৱ হিচাপে মান্য কৰা,তেতিয়া এই সকলোবোৰ বিবাদ আৰু সকলোবোৰ বিতৰ্ক যি মুছলমানসকলৰ

মাজত হৈ আছে একেবাৰে সমাপ্ত ঘটিব,মোৰ ফালে আহা,আৰু মোৰ কথা শ্ৰৱণ কৰা তুমি সত্য দেখিবলৈ পাবা,যি ইমামৰ তোমালোকে অপেক্ষাত আছা সেইজন মইয়ে তাৰ প্ৰমাণ মোৰ পৰা লোৱা।

হজৰত মছীহ মাওউদ (আঃ)য়ে খুলফায়ে ৰাশিদিন (যথাযথভাৱে পৰিচালিত খলিফাসকল)ৰ মহান মৰ্যাদা বৰ্ণনা কৰি কৈছে যে, মই এয়া জানো যে, কোনো ব্যক্তি মোমিন আৰু মুছলমান হ'ব নোৱাৰে যেতিয়ালৈকে হজৰত আবু বক্কৰ,হজৰত ওমৰ,হজৰত উছমান,হজৰত আলী (ৰাঃ)ৰ সকলোবোৰ ৰং তেওঁৰ মাজত সৃষ্টি নকৰে। অৰ্থাৎ জামাত আহমদীয়াৰ এয়া বিশ্বাস যে, তেখেতসকল আমাৰ বাবে আদৰ্শস্বৰূপ,যেতিয়া এই বিশ্বাস হৈ যায় তেতিয়া জামাত আহমদীয়া এক এনেকুৱা জামাত হৈ নাথাকে নে যি মুছলমানসকলৰ প্ৰভেদসমূহ দূৰ কৰি ঐক্যতা সৃষ্টি কৰা জামাত হয় ? হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰিচয় আৰু গুণাৱলীৰ কথা বৰ্ণনা কৰি কয়, ছিদ্দিক নবীৰ ছায়া স্বৰূপ আছিল। তেখেতৰ চৰিত্ৰৰ প্ৰভাৱ সেইসকলৰ ওপৰত পৰিছিল আৰু হৃদয়সমূহ বিশ্বাসৰ জেউতিৰে পৰিপূৰ্ণ আছিল,সেই কাৰণে তেখেতে বীৰত্ব আৰু দৃঢ়তা দেখুৱাইছে যে, আঁ-হজৰত (ছাঃ)ৰ পিছত তাৰ দৃষ্টান্ত পোৱা নাযায়। তেখেতৰ জীৱনী ইছলামৰ জীৱন আছিল,মই সঁচা কওঁ যে, আবু বক্কৰ ছিদ্দিক (ৰাঃ) ইছলামৰ বাবে দ্বিতীয় আদম আছিল। মই বিশ্বাস স্থাপন কৰো যে,যদি আঁ-হজৰত (ছাঃ)ৰ পিছত আবু বক্কৰৰ অস্তিত্ব নাথাকিলেহেঁতেন তেন্তে ইছলামো নাথাকিলেহেঁতেন।

আকৌ হজৰত ওমৰ (ৰাঃ)ৰ গুণাৱলী আৰু মৰ্যাদা বৰ্ণনা কৰি তেখেত (আঃ)য়ে কয়,হজৰত ওমৰ (ৰাঃ)ৰ মৰ্যাদা ইমান ডাঙৰ যে, কেতিয়াবা তেখেতৰ ৰায় মতে কোৰাণ শ্বৰীফ অৱতীৰ্ণ হৈছিল আৰু তেখেতৰ সম্পৰ্কে এই হাদীছ আছে যে, চয়তান ওমৰৰ ছাঁৰ পৰা পলায়ন কৰে। আৰু এয়াও আছে যে, যদি মোৰ পিছত কোনো নবী হ'লহেঁতেন তেন্তে ওমৰ হ'লহেঁতেন। তৃতীয় হাদীছ এই যে,প্ৰাথমিক উম্মতত মুহাদ্দিছ আছিল আৰু যদি এই উম্মতত কোনো মুহাদ্দিছ আছে তেন্তে সেইজন ওমৰ হয়। আকৌ এঠাইত হজৰত আবু বক্কৰ,হজৰত ওমৰ,হজৰত উছমানৰ কথা বৰ্ণনা কৰি তেখেতে কৈছে মোৰ প্ৰতিপালক মোৰ ওপৰত এয়া প্ৰকাশ কৰিছে যে, ছিদ্দিক আৰু ফাৰুক আৰু উছমান (ৰাঃ)পুণ্যবান আৰু মোমিন আছিল আৰু সেইলোকসকলৰ মাজত অন্তৰ্ভুক্ত যিসকলক আল্লাই বাচি লৈছে আৰু যি ৰহমান খোদাৰ দয়াত বিশিষ্ট কৰা হৈছে। অৰ্থাৎ এই উপলব্ধি যি চাৰিজন খলিফাৰ মৰ্যাদা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে আমাক দিছে আৰু এয়াই সেই মৰ্যাদা হয়, যেতিয়া প্ৰত্যেক মুছলমানে এই বুজুৰ্গসকলক দিব তেতিয়াহে প্ৰকৃত মুছলমান ক'ব আৰু পৰস্পৰ পৰস্পৰৰ প্ৰভেদ সমাপ্ত কৰি এক উম্মতৰ ভাগীদাৰী হ'ব পাৰিব।

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আজিকালি আমি মুহৰৰম মাহৰ মাজেৰে অতিক্ৰম কৰি আছো কালি বা পৰশি ১০ মহৰৰম হয় যিদিনা হজৰত হুছেইনৰ শ্বহীদক স্মৰণ কৰি নিজৰ আবেগ প্ৰকাশ কৰে,নিশ্চয় এয়া এক অত্যাচাৰী কাৰ্যকলাপ আছিল যেনেকৈ হজৰত হুছেইনক শ্বহীদ কৰা হৈছিল। যেতিয়া এই অনুভূতিৰ প্ৰকাশ ছিয়াসকলে (মুছলমানসকলৰ এক সম্প্ৰদায়) কৰে তেতিয়া এয়া বুজা যায় যে, হজৰত মছীহ মাওউদ (আঃ)য়ে বা তেখেতৰ জামাতে নবুয়তৰ বংশধৰৰ মৰ্যাদাক চিনিব পৰা নাই। এই ভুল ধাৰণা জামাত আহমদীয়া সদায় দূৰ কৰাৰ চেষ্টা কৰে। এতিয়া মই হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত আৰু কথনৰ উদ্ধৃতিত বৰ্ণনা কৰিম যে,তেখেতৰ দৃষ্টিত নবীৰ বংশধৰৰ কি মৰ্যাদা আছিল আৰু এই বিষয়ে তেখেত (আঃ) য়ে জামাতক কি উপদেশাৱলী দিছে। হজৰত মছীহ মাওউদ (আঃ) নিজৰ কিতাপ “ছিৰৰুল

খুলাফা” ত হজৰত আলী (ৰাঃ)ৰ বিষয়ে কৈছে , তেখেত আল্লাহৰ নৈকট্য প্ৰাপ্ত ভৃত্যৰ মাজত এজন আছিল আৰু কোৰাণক চিনাক্ত কৰাত প্ৰাথমিক সকলৰ মাজত অন্তৰ্ভুক্ত আছিল। মই দুনিয়াৰ জাগৰণত তেওঁক দেখিছো, মই তেখেতক আচৰণ, চাৰিত্ৰিক ক্ষেত্ৰত নম্ৰ মস্তিষ্কৰে পৰিপূৰ্ণ পাইছোঁ। আৰু মই শপত লৈ কওঁ যে, তেখেতে মোৰ সৈতে বৰ প্ৰেম আৰু মহব্বতৰ সৈতে লগ ধৰিছে আৰু হৃদয়ত এই কথা সোমাই দিয়া হৈছে যে, তেখেত মোক আৰু মোৰ আকিদাক জানে আৰু মই পেছা আৰু নম্ৰতাত ছিয়াসকলৰ সৈতে যি প্ৰভেদ ৰাখো সেয়াও জানে। কিন্তু তেখেতে কোনো ধৰণৰ অপছন্দনীয়তা বা আপত্তি প্ৰকাশ কৰা নাই, অৰ্থাৎ তেখেত মোৰ সৈতে লগ ধৰিছে আৰু বিশুদ্ধতাৰ সৈতে মোৰ লগত প্ৰেম কৰিছে তেখেত স্বচ্ছ হৃদয়বান লোকসকলৰ নিচিনা প্ৰেম প্ৰকাশ কৰিছে আৰু তেখেতৰ সৈতে হাছান হুছেইন উভয়ে আৰু ছৈয়দুৰ ৰছুল খাতামান নাবিয়িনো আছিল আৰু তেখেতৰ সৈতে এক পুণ্যবান মৰ্যাদাশীল কল্যাণমণ্ডিত বাহ্যিক আৰু আভ্যন্তৰীণ জ্যোতিৰময় শৰীৰ যুৱতী মহিলা আছিল যাক মই দুঃখৰে ভৰপুৰ পাইছোঁ কিন্তু তাই সেইবোৰক গোপন ৰাখিছে আৰু মোৰ হৃদয়ত সোমাই দিয়া হৈছে যে, তাই হজৰত ফাতিমাতুজ্জুহৰা (ৰাঃ) হয়, তাই মোৰ ওচৰলৈ আহে আৰু মই শুই আছিলো,তাই বহিলে আৰু তাই মোৰ মূৰখন নিজৰ ঊৰুৰ ওপৰত ৰাখে আৰু নম্ৰতা প্ৰকাশ কৰে মই দেখিব পাৰিলো যে,তাই মোৰ আবেগৰ কাৰণে দুঃখিত, আৰু সন্তানৰ কষ্টৰ সময়ত মাকৰ নিচিনা কৰুণা আৰু প্ৰেম আৰু অস্থিৰতা প্ৰকাশ কৰি আছে।

তাৰ পিছত তেখেতে কয় যে, ধৰ্ম সম্পৰ্কে হজৰত ফাতিমাৰ ওচৰত মোৰ অৱস্থা সন্তানৰ নিচিনা হয়। আকৌ হাছান আৰু হুছেইন উভয় মোৰ ওচৰলৈ আহে আৰু ভ্ৰাতৃৰ নিচিনা মোৰ সৈতে প্ৰেম প্ৰকাশ কৰে আৰু সহানুভূতিৰ সৈতে মোৰ লগত লগ ধৰে, আৰু এই দিব্যদৰ্শন জাগৰণ অৱস্থাত হৈ আছিল আৰু এয়া কেইবা বছৰ অতিবাহিত হৈ গৈছে।মই হজৰত আলী আৰু তেখেতৰ উভয় ল'ৰাৰ সৈতে প্ৰেম কৰো আৰু যিয়ে তেওঁলোকৰ সৈতে শত্ৰুতা ৰাখে তেওঁৰ সৈতে মই শত্ৰুতা ৰাখো।

হজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে, অৰ্থাৎ কেনেকৈ তেওঁলোকে ক'ব পাৰে যে,আমি নবীৰ বংশৰ সৈতে মহব্বত নকৰো বা সিহঁতক উপলব্ধি নকৰো।তেখেত (আঃ)য়ে হজৰত হুছেইন (ৰাঃ) সম্পৰ্কে কয় যে, হুছেইন (ৰাঃ) পৱিত্ৰ আছিল আৰু আল্লাহৰ সেই পছন্দনীয়সকলৰ মাজত আছিল যাক খোদা তা'লা নিজৰ হাতেৰে পৰিষ্কাৰ কৰিছে আৰু মহব্বতৰ সৈতে প্ৰেৰণ কৰিছে, আৰু তেখেত বেহেস্তৰ চৰদাৰসকলৰ অন্তৰ্ভুক্ত আৰু অলপ পৰিমাণেও তেওঁৰ সৈতে দম্ভ ৰখাজন ঈমানৰ দুৰ্বলতা হয়। আৰু সেই ইমামৰ তাকৱা আৰু খোদাৰ সৈতে প্ৰেম আৰু ধৈৰ্য আৰু দৃঢ়তাপূৰ্ণ আৰু উপাসনা আমাৰ বাবে উন্নত ধৰণৰ আদৰ্শ হয়। আৰু আমি সেই নিষ্পাপৰ হিদায়তৰ অনুসৰণকাৰী যি তেখেতে পাইছিল।ধ্বংস হৈ গ'ল সেই হৃদয় যিজনে তেওঁৰ সৈতে শত্ৰুতা ৰাখে আৰু সাফল্যমণ্ডিত সেই হৃদয় যিয়ে কৰ্মৰত হৈ তেখেতৰ প্ৰতি ভাল পোৱা প্ৰকাশ কৰে।

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যি ভাল পোৱাৰ উপলব্ধি আপোনাৰ আছিল সেয়া আন কোনোবাৰ হ'ব নোৱাৰে কিন্তু ছিয়াসকলে সীমা অতিক্ৰম কৰি গৈছে,তেওঁলোকক সত্যতাৰ বিষয়ে কোৱা হৈছে,আৰু য'ত ছুন্নীসকলে ভুল কৰিছে সেই বিষয়েও সিহঁতক কৈছে যে সংশোধন কৰা এয়াই ন্যায় কাৰ্য্য হয়,আৰু ইছলামৰ সঠিক শিক্ষাক বিস্তাৰিত কৰাৰ বাবে আল্লাহ তা'লাই আপোনাক প্ৰেৰণ কৰিছে ,কিন্তু সেয়া সত্ত্বেও এই ফিৰকা (দল) আহমদীসকলক বেয়া বুলি কয়,কিন্তু এয়া সত্ত্বেও আমি ধৈৰ্য,দৃঢ়চিত্ততাৰ সৈতে এই

কাৰ্যক অব্যাহত ৰাখিব লাগিব যি আমাৰ অধীনত কৰিছে,যাৰ কাৰণে আমি হজৰত মছীহ্ মাওউদ (আঃ)ৰ দীক্ষা গ্ৰহণ কৰিছোঁ  যাতে সঠিক ইছলাম পৃথিৱীত বিস্তাৰ লাভ কৰিব পাৰো,সেই আদৰ্শক সন্মুখত ৰাখিব যি হজৰত ইমাম হুছেইনে আমাক দেখুৱাইছে।

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে,বিশেষ কৰি এই মাহত দোৱাত বেছি বেছি জোৰ দিয়া উচিত,দৰুদ শ্বৰীফ পঢ়াত বহু জোৰ দিব আৰু যিমানে আল্লাহ্ তা'লাৰ চৰণত অৱনত হ'ব অতি সোনকালে আল্লাহ্ তা'লা আমাক বিজয় প্ৰদান কৰিব আৰু কৃতকাৰ্যতা কৰিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HAZOOR ANWAR (aba) 28 AUGUST -2020**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844